খ) প্ৰথম সোপান
গ) দ্বিতীয় সোপান
ঘ) তৃতীয় সোপান
ঙ) ৰাজ্য পুৰস্কাৰ আৰু প্ৰমাণ পত্ৰ
চ) ৰাষ্ট্ৰপতি স্কাউট-গাইড আৰু ব্যাজ পোৱাৰ যোগ্যতা

খ) প্ৰবীণ
গ) নিপুন
ঘ) ৰাষ্ট্ৰপতি ব্যাজ আৰু প্ৰমাণ পত্ৰ পোৱাৰ যোগ্যতা

ইয়াৰ উপৰিও পাঠ্যক্ৰমৰ অন্তৰ্গত ১০০ টা বিষয়ৰ পাৰদৰ্শিতামূলক ব্যাজ (Badge) আছে। যেনে—Aids Awareness, Cencer Awareness, Drug Awareness, Alpana or Rongoli, Ambulance, Artist, Athlet, Bee Master, Bird Warden, Book Binder, Camper, Child Nurse, Citizen, Civil Difence, Climber, Community Worker, Dancer, Debetor, Domestic Service, Ecologist, Farmer, Fireman, Folk Dancer, Games Leader, Gardener, Health, Heritage, Interpreater, Knitter, Leprosy Control, Literacy, Naturalist, Pathfinder, Photo Grapher, Population Education, Rescuer , Rural Worker, Sanitation Promoter, Soil Conservation, Swimmer, Tailor, Blood Doner, World Friendship, Weaver, Family Life Education, Sick Nurse etc. যিবোৰে স্কাউট-গাইডসকলক আজৰি সময়ৰ সৎ ব্যৱহাৰ কৰিবলৈ তথা স্বাৱলম্বী হ'বলৈ অনুপ্ৰেৰণা যোগায়।

উল্লেখযোগ্য যে স্কাউট-গাইডসকলক সুশৃংখলিতভাৱে আগবঢ়াই নিবৰ বাবে সকলো স্তৰৰ প্ৰাপ্ত বয়স্ক লিডাৰসকলৰ বাবেও ক্ৰমোন্নতিমূলক প্ৰশিক্ষণৰ ব্যৱস্থা আছে। এওঁলোকক জিলা, ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন বিষয়ত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা আছে। যেনে— (১) বেচিক, (২) এড্‌ভান্স, (৩) হিমালয়ান উড্‌ব্যাজ, (৪) প্ৰি, এ, এল, টি, (৫) এ, এল, টি, (৬) এল, টি, (৭) কমিচনাৰ আদি। স্কাউটিং-গাইডিঙৰ আন এটা দিশ হ'ল শিবিৰ তথা সমাৰোহত অংশ গ্ৰহণ। সকলো স্তৰৰ স্কাউট-গাইডৰ সৰ্বতোমুখী বিকাশৰ বাবে তথা পাৰস্পৰিক ভাৱ বিনিময়ৰ বাবে সময়ে সময়ে জিলা, ৰাজ্যিক, ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত Rally, Camporee, Cultural Exchange Programme, Natures Study Camp, Integration Camp, State Rally, Jamboree আদি অনুষ্ঠিত কৰা হয়। সাধাৰণতে ৰাষ্ট্ৰীয় জাম্বুৰীসমূহ চাৰি বছৰৰ মূৰে মূৰে আয়োজন কৰে। এইবোৰ কাৰ্যসূচীত অংশ গ্ৰহণ কৰিলে নিয়মানুৱৰ্তী তথা শৃংখলাবদ্ধভাৱে চলা, সময়মতে কাম কৰা, সহযোগ কৰা, খোৱা বোৱাত সংযত হোৱা, বিনয়ী হোৱা আদি নানান গুণ আয়ত্ব কৰিব পাৰি। স্কাউটিং-গাইডিঙৰ পাঠ্যক্ৰম তাত্বিক তথা ব্যৱহাৰিক প্ৰধান হোৱা বাবে শিবিৰত অংশ গ্ৰহণ কৰিলেহে স্কাউটিং-গাইডিঙৰ বাস্তৱ অভিজ্ঞতা অৰ্জন কৰিব পাৰি। যিবোৰ অভিজ্ঞতাই স্কাউট-গাইডসকলক নিজৰ কৰ্তব্যৰ প্ৰতি সচেতন কৰি তোলে, মনত বিমল আনন্দ প্ৰদান কৰে আৰু বাস্তৱত সকলো সমস্যাৰ সমুখীন হ'ব পৰাকৈ পথ সুগম কৰি জীৱন পৰিপূৰ্ণ কৰি তোলাত সহায় কৰে।

স্কাউটিং-গাইডিং এটি অৰাজনৈতিক, ধৰ্ম নিৰপেক্ষ, শিক্ষামূলক আন্দোলন। সকলো বয়সৰ লোকে এই আন্দোলনত অংশ গ্ৰহণ কৰিব পাৰে। কোনো লোকে এই আন্দোলনত অংশ গ্ৰহণ কৰিবলৈ হ'লে প্ৰবেশ ব্যাজৰ শিকিব লগা কথাখিনি আয়ত্ব কৰিব লাগিব। প্ৰবেশ ব্যাজৰ কেইটিমান বিষয় হ'ল—

Scout Guide Law and Promise, Motto, Prayer Song, Flag Song, Sign, Salute, Left Hand-shake, B.P. Six Exercise, Knotes, First Aid, etc. Scout-Guide বিধি ( Law ) ন টা। উল্লেখযোগ্য যে এই ন টা বিশেষ বিধি মানি চলিম বুলি মুক্ত আকাশ তথা স্কাউট-গাইড পতাকাৰ তলত থিয় হৈ, বাওঁহাতেৰে স্কাউট-গাইড পতাকা চুই, সোঁহাতেৰে স্কাউট গাইড চিহ্ন দেখুৱাই, ভগৱানৰ ওপৰত বিশ্বাস ৰাখি যিজনে প্ৰতিজ্ঞা কৰিব তেওঁকহে দীক্ষা দিয়া হয়। সঁচাকৈয়ে বেডেন পাৱেলৰ উদ্দেশ্য আছিল অতিকৈ মহান। স্কাউট-গাইড আন্দোলনৰ নীতি-আদৰ্শ ইমানেই সুন্দৰ আছিল যে সমগ্ৰ বিশ্বই ইয়াক গ্ৰহণ কৰিছিল।

এই আন্দোলনৰ প্ৰতি সহাৰি জনাই ভাৰতবৰ্ষতো ১৯১০ চনত আৰু অসমত ১৯১৬-১৭ চনত স্কাউটিং প্ৰৱৰ্তন হয়। কিন্তু প্ৰথম অৱস্থাত স্কাউটিং-গাইডিং এ্যাংলো ইণ্ডিয়ান ল'ৰা-ছোৱালীৰ মাজত আবদ্ধ থকা বাবে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত বিভিন্ন নামেৰে স্কাউটিং-গাইডিঙৰ দল গঠন হয়। কিন্তু দেশে স্বাধীনতা লাভ কৰাৰ পাছত এই বিভিন্ন দলসমূহে ১৯৫০ চনৰ ৭ নৱেম্বৰত 'Bharat Scouts and Guides Associa-

tion' নাম লয়। অৱশেষত 'The Girl Guide'নামৰ অনুষ্ঠানটি ১৯৫১ চনৰ ১৫ আগষ্ট তাৰিখেহে লগ লাগি ভাৰতীয় সংবিধান ভিত্তিত 'Bharat Scouts and Guides' নামেৰে জনাজাত হয়। এতিয়া ই আমাৰ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰৰ একমাত্ৰ অনুমোদিত আৰু স্বীকৃত অনুষ্ঠান। উল্লেখযোগ্য যে অসম চৰকাৰৰ চিঠি নং— B (3)s, 162/ 97/190 dt. of 7/1/02 by Education Department of Assam, Direct Letter Education Eg/Mise/23/2581/ 19 Kahilipara, 2nd May'02 Seva Circular No. SEBA/ AB/ PE/4/2003/82/ dated 4th February' 03 অনুসৰি সকলো বিদ্যালয় তথা মহাবিদ্যালয়ত স্কাউট-গাইড সংগঠন খোলাটো বাধ্যতামূলক কৰিছে।

**জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত স্কাউট-গাইড আন্দোলনৰ ৰেঙণি ঃ**

অসম চৰকাৰৰ নিৰ্দেশ অনুসৰি আমাৰ মহাবিদ্যালয়তো এটি ৰ'ভাৰ ক্ৰু' আৰু এটি ৰেঞ্জাৰ টিম গঠন কৰা হৈছে। ভাৰত স্কাউট-গাইড অসম শাখাৰ অধীনত ১৬-৬-০২ তাৰিখৰ পৰা ২৫-৬-০২ ইং তাৰিখলৈ State Training Centre (STC) Samata Pathar, Assamত অনুষ্ঠিত হোৱা Rover Leader Basic Trainingত অংশ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ গণিত বিভাগৰ জ্যেষ্ঠ প্ৰবক্তা শ্ৰীযুত নৰজ্যোতি দাসে মহাবিদ্যালয়ত 'কোঁৱৰ গদাপাণি' নামে ০১-০৮-০২ তাৰিখে এটি Rover Crew গঠন কৰে। সেইদৰে সেই একে চনৰ ১৬-১২-০২ তাৰিখৰ পৰা ২১-১২-০২ তাৰিখলৈ STC চামতা পথাৰত অনুষ্ঠিত হোৱা Ranger Leader Basic Trainingত অংশ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ জ্যেষ্ঠ প্ৰবক্তা শ্ৰীমতী বিজয়া ডেকাই মহাবিদ্যালয়ত ২১-০১-০৩ তাৰিখে 'অমৃত প্ৰভা ৰেঞ্জাৰ টিম' গঠন কৰে। ২০০৩ চনৰ ডিচেম্বৰ মাহৰ ২৫-৩১ তাৰিখলৈ উক্ত স্থানতে অনুষ্ঠিত হোৱা Commissioner Trainingত মহাবিদ্যালয়ৰ সেই সময়ৰ অধ্যক্ষ ড° ৰমা কান্ত বৰুৱাদেৱে অংশ গ্ৰহণ কৰে। RSL শ্ৰীযুত নৰজ্যোতি দাসে ২২-৯-০৩ ৰ পৰা ২৯—৯-০৩ লৈ STC Chamata Pathar, Assamত Advance Training Course সমাপ্ত কৰিছে। আনহাতে শ্ৰীমতী বিজয়া ডেকায়ো Advance Training Course for Ranger Leader, National Training Centre, Pachmarhi, Madhya Pradesh (21-6-07 — 27-6-07) ত সুকলমে সমাপ্ত কৰি H.W.B. (Himalayan Wood Badge) ৰ Part-I ত অৱতীৰ্ণ হৈছে।

সুখৰ বিষয় আৰম্ভণিতে 'কোঁৱৰ গদাপাণি' ৰভাৰ ক্ৰ আৰু অমৃত প্ৰভা ৰেঞ্জাৰ টিম দুয়োটাই যুটীয়াভাৱে ভালেমান কাৰ্যসূচীত অংশ গ্ৰহণ কৰিছিল। অৱশেষত পৰৱৰ্তী কালত বিশেষকৈ ২০০৬ চনৰ পৰা অমৃত প্ৰভা ৰেঞ্জাৰ টিমৰ সদস্যসকলে অগ্ৰসৰ লাভ কৰিবলৈ সক্ষম হয়। ইতিমধ্যে অমৃত প্ৰভা ৰেঞ্জাৰ দলৰ পাঁচটা দলে দীক্ষা গ্ৰহণ কৰিছে।

উল্লেখযোগ্য যে পাঠ্যক্ৰমৰ ধাৰাবাহিকতা অক্ষুন্ন ৰাখি ৰেঞ্জাৰ দলৰ তৃতীয় দলটোৰ দহ গৰাকী ৰেঞ্জাৰে এইবাৰ 4th State Level Nipun Testing Campত অৱতীৰ্ণ হয়। পাঠ্যক্ৰমৰ লগত সংগতি ৰাখি ৰেঞ্জাৰ সকলে স্থানীয় গএগ্ৰা ৰাইজৰ মাজত তথা বিভিন্ন শিক্ষানুষ্ঠানত বিভিন্ন সজাগতা শিবিৰ পাতি আহিছে। সেইবোৰৰ ভিতৰত Population Education Campain, Literacy Development Campain, Aids Awareness, অন্ধবিশ্বাস দূৰীকৰণ, প্ৰদুষণ দূৰীকৰণ, মাদক দ্ৰব্য নিৰাৰণ, কুষ্ঠ ৰোগীৰ লগত মত বিনিময়, মহিলাসকলৰ মাজত ক্ষুদ্ৰ সঞ্চয় সজাগতা শিবিৰ, স্বাস্থ্য সজাগতা শিবিৰ আদিত অংশগ্ৰহণে প্ৰধান। ৰেঞ্জাৰ সকলে প্ৰতি বছৰে Scouts- Guides Day (৭ নৱেম্বৰ), বিশ্ব পৰিৱেশ দিৱস (৫ জুন) Thinking Day আৰু মাতৃ দিৱস (২২ ফেব্ৰুৱাৰী) পালন কৰি আহিছে। ইয়াৰ উপৰিও প্ৰয়োজন বিশেষে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান আদিত ৰেঞ্জাৰ সকলে সেৱা আগবঢ়াই আহিছে। ইয়াৰ উপৰিও বিভিন্ন সময়ত District Rally, Festival, Mini Jamboree, National Jamboree আদিতো অংশ গ্ৰহণ তথা সেৱা আগবঢ়াই অসম তথা মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে। বিভিন্ন সময়ত ৰ'ভাৰ ৰেঞ্জাৰ সকলে অংশগ্ৰহণ কৰা বিভিন্ন সমাৰোহ, ৰেলী আদি আৰু অংশগ্ৰহণকাৰীৰ এটি চমু আভাষ তলত দিয়া হ'ল-

**District Rally/Scout-Guide Meet/Jamboree/ National Camporee etc. :**

1. 3rd District Rally of Railway District Asso-

ciation B.S&G,NE Railway, Maligaon (23rd July-27th July,03)

8 Rangers, 9 Rovers, Leader- N.J. Das (RSL) and S. Bhuyan. The Team stood 1st in Exhibition, 2nd in Art and 3rd in Flok Dance.

2. 39th National Rover-Ranger Samagom at Pachmarhi, MP (10th June to 15th June, 03) -

2 Rovers (Jayanta Roy and Simanta Das)

3. N.E. Region 3rd Mini Jamboree Hosted by Arunachal Pradesh from 29-12-04 to 02-01-05,

4 Rovers –Jayanta Roy, Jyotiprasad Gogoi, Prokash Rabha and Ranju Boro.

4.15th National Jamboree at Nil -Dhara, -Haridware (16-10-05 to 22-10-05).

Ranger- Barnali Rabha and
Rover- Bikram Swargiary.

5. 5th N.E. Mini Jamboree at STC, Chamata Pathar (16-12-06 to 21-12-06).

4 Rangers- Barnali Rabha, Bhagyalata Talukdar, Mallika Nath, Jyotshna Rabha and Mrs. Bijaya Deka, (Ranger Leader). Mrs. Bijaya Deka rendered her service as Asstt. Editor of the "Souvenir" the 5th NE Mini Jamboree, '06 (16-21 Dec' 06)

6. Advance Training Course of Guide Captain at Samata Pathar,Ranger - Jyotiprabha Adhikary. (07-09-08 to 13-09-08)

7. Basic Training & Rajya Puraskar Camp at South Point High School (23-07-09 – 27-07-09 )

8. Summar Camp at Don Bosco High School, Boko on 6th July, 2003

10 Rovers and 16 Rangers, RSL - N.J. Das and RL- B. Deka

9. Summar Camp, Boko Girls' High School , ( 01-07-08 to 03-07-08 ).

8 Rangers & B. Deka (RL)

**Out Side Movement :**

(i) The 45th Vana Mahotsava organised by Forest Deptt. of Govt. of Assam at J.N.College, Boko (5th June,2003) all Rovers and Rangers with RSL, ARSL and RL The Mohatsava inaugurated by- Mr. Tarun Gogoi, Hon'ble Chief Minister, Assam

(ii) All Assam College Principals' Conference on 5th July, 03 at D.K. College, Mirza - 10 Rovers, 16 Rangers and RL (in Exhibition).

(iii) The 5th National Children Science Festival at J.N.College, Boko (21st – 26th April, 05) Organised by Gyan Vigyan Samiti, Assam.

4 Rangers, 5 Rovers and B.Deka (R L).

(iv) Adhibidya Parishad Annual Conference at Boko M.V. School.

10 Rovers,16 Rangers and B.Deka (R L).

(v) National Seminar on Wetland and livelyhood at J.N.College, Boko 24th – 25th Oct. 08, 16 Rangers.

(vi) Youth Integration Cycle Rally with German Karma Ryders – 16 Rangers and RL.

(vii) Health Camp at J.N.College, Boko time to time.

অতি দুখেৰে জনাবলীয়া হৈছে যে অমৃতপ্ৰভা ৰেঞ্জাৰ টিমৰ চাৰি গৰাকী ৰেঞ্জাৰ যোধপুৰ, হাৰিয়ানাত অনুষ্ঠিত হ'ব লগীয়া ১-০৯-০৮ ইং তাৰিখৰ পৰা ৫-০৯-০৮ ইং তাৰিখলৈ National Integration Campত যোগদান কৰিবৰ বাবে নিৰ্বাচিত হৈছিল। কিন্তু উক্ত শিৱিৰ দুমাহ পিছুৱাই দিয়ে। ফলত H.S. Final Examination,09 সমাগত হোৱা বাবে ৰেঞ্জাৰ সকলে এই কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰিবলৈ অসমৰ্থ হয়।

*** Award :** মিচ্ জ্যোতিপ্ৰভা অধিকাৰীলৈ ভাৰতীয় বিদ্যা পৰিষদ (অসম শাখা)ৰ বিশেষ বঁটা প্ৰদান ('09)

*** পৰিদৰ্শন ঃ** যোৱা ১০/১২/০৮ তাৰিখে ভাৰত স্কাউট-গাইড অসমৰ অধীনত কামৰূপ জিলা সন্থাৰ সচিব শ্ৰীযুত অম্বিকা প্ৰসাদ শৰ্মা আৰু সাংগঠনিক কমিচনাৰ শ্ৰীমতী জুনু ৰাজখোৱাই অমৃত প্ৰভা ৰেঞ্জাৰ টিমক পৰিদৰ্শন কৰি ভূয়সী প্ৰসংশা কৰে ।

*** Other Activities :**

(ক) ৰেঞ্জাৰসকলে আজৰি সময়ৰ সৎ ব্যৱহাৰ তথা বৃত্তিমুখী শিক্ষা স্বৰূপে পাপৰ প্ৰস্তুতকৰণ; উলৰ দ্বাৰা ফুল বনোৱা, মোজা গোঠা, পুতলা বনোৱা, কাটিং আদিৰ প্ৰশিক্ষণ লয়।

(খ) মনৰ ভাৱ অনুভূতি প্ৰকাশ কৰিবৰ বাবে ৰেঞ্জাৰ সকলৰ 'Mirror' নামৰ এখন প্ৰাচীৰ পত্ৰিকা আছে। ৰেঞ্জাৰ লিডাৰৰ তত্বাৱধানত ইতিমধ্যে Mirrorৰ সাতটা সংখ্যা প্ৰকাশ হৈছে।

(গ) উল্লেখযোগ্য যে ইং ১০-১২-০৮ তাৰিখে অমৃতপ্ৰভা ৰেঞ্জাৰ টিমৰ চতুৰ্থ দলটো দীক্ষাগ্ৰহণ অনুষ্ঠানটিৰ লগত সংগতি ৰাখি আন এখন Mirror নামৰ হাতে লিখা আলোচনী প্ৰস্তুত কৰা হয়। উক্ত হাতেলিখা আলোচনীখন উন্মোচন কৰে মাননীয় শ্ৰীযুত অম্বিকা প্ৰসাদ শৰ্মা (সচিব, কামৰূপ জিলা, ভাৰত স্কাউট গাইড, অসম) দেৱে। এইখন মহাবিদ্যালয়ত নিসন্দেহে নতুন সংযোজন। আমি আশাকৰো অনাগত দিনবোৰতো ৰেঞ্জাৰ সকলে নানান কামত হাত দি নিজৰ কৰ্তব্য সুকলমে পালন কৰিব আৰু কঠোৰ পৰিশ্ৰম কৰি ৰাষ্ট্ৰপতি ৰেঞ্জাৰ হ'বলৈ সক্ষম হ'ব লগতে মহাবিদ্যালয় তথা অসমলৈ গৌৰৱ কঢ়িয়াই আনিব।

জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

জয়তু অমৃত প্ৰভা ৰেঞ্জাৰ টিম। ☐☐☐

## কোন বছৰত কি জয়ন্তী

১ম বছৰ - কাকত জয়ন্তী
২য় বছৰ - কপাহ জয়ন্তী
৩য় বছৰ - চৰ্ম জয়ন্তী
৪ৰ্থ বছৰ- গ্ৰন্থ জয়ন্তী
৫ম বছৰ- লৌহ জয়ন্তী
৬ষ্ঠ বছৰ- কাঠ জয়ন্তী
৭ম বছৰ - ব্ৰঞ্জ বা তাম্ৰ জয়ন্তী
৮ম বছৰ - বিদ্যুৎ জয়ন্তী
৯ম বছৰ - মৃৎ পাত্ৰ জয়ন্তী
১০ম বছৰ - টিন জয়ন্তী
১১ বছৰ - তীখা জয়ন্তী
১২ বছৰ - চিঙ্ক জয়ন্তী
১৩ বছৰ - ৰজ্জু জয়ন্তী
১৪ বছৰ - গজ দন্ত জয়ন্তী
১৫ বছৰ - স্ফটিক জয়ন্তী
২০ বছৰ- চীনামাটি জয়ন্তী
২৫ বছৰ- ৰূপালী জয়ন্তী
৩০ বছৰ - মুক্তা জয়ন্তী
৩৫ বছৰ - প্ৰৱাল জয়ন্তী
৪০ বছৰ - ৰত্ন জয়ন্তী
৪৫ বছৰ - ইন্দ্ৰনীল জয়ন্তী
৫০ বছৰ - সোণালী জয়ন্তী
৫৫ বছৰ - মৰকত জয়ন্তী
৭০ বছৰ - প্লেটিনাম জয়ন্তী
৭৫ বছৰ - হীৰক জয়ন্তী
১০০ বছৰ - শত বাৰ্ষিকী

উৎস ঃ জ্ঞান-বিজ্ঞান বাৰ্তা, নৱেম্বৰ ১/১৯৯৭

গল্প গুচ্ছ

# বিস্ফোৰণ

জয়দেৱ বায়ন
স্নাতক প্ৰথম বৰ্ষ

এজাক চৰায়ে কিচিৰ-মিচিৰকৈ শব্দ কৰি ৰাতিপুৱাৰ সংকেত দিলে। সোণায়ে খিৰিকিখন খুলি পুৱাৰ ৰঙা বেলিটো চাবলৈ যত্ন কৰিলে। এছাটি ঠাণ্ডা বতাহ আহি তাৰ গাটো চুই গ'ল। ওচৰতে থকা পথাৰখনৰ পৰা আঘোণমহীয়া আধাপকা ধানৰ কেঁচা গোন্ধ এটা বতাহত ভাঁহি আহি সোণাইৰ নাকত লাগিল।

'সোণাই, অ' সোণাই'-

মাকৰ মাতত হে সোণাই বাস্তৱলৈ ঘূৰি আহিল। সোণায়ে পাহৰিয়ে গৈছিল যে সি আজি গুৱাহাটীলৈ যাব। লৰা-লৰিকৈ সি দাঁত ঘঁহা ব্ৰাচডাল হাতত লৈ কুঁৱাৰ পাৰ পালে। খৰখেদাকৈ দাঁতকেইটা ঘঁহি সি মুখখন কুলকুলি কৰি চকু দুটা ধুই ল'লে। তাৰ পাছত মাকে দিয়া ফিকা চাহকাপ খাই সি গা ধুবলৈ গ'ল। গাধুই উঠি সি ভিজা টাৱেলখন ৰ'দত মেলি দিলে। মাকে বাঢ়ি দিয়া ভাত দুগৰাহ খাই সি বাছ ষ্টেচনলৈ বুলি খোজ ল'লে। সি ষ্টেচন পাই মানে ৰাতিপুৱাৰ প্ৰথম বাছখনে গুৱাহাটীলৈ বুলি যাত্ৰা কৰিছিল। সোণায়ে বহু ভাৰি চিন্তি ট্ৰেকাৰ এখনত উঠিল। ট্ৰেকাৰখনৰ মাজৰ চিটটোত বহিয়ে সি গুৱাহাটীত কৰিব লগীয়া কামবোৰ মনতে আওৰাই ল'লে। প্ৰথমে সি আদাবাৰীত নামিব। তাৰ পাছত চিটি বাছেৰে খ্ৰীষ্টান বস্তিলৈ যাব। তাত দেউতাকক লগ ধৰি কেইহেজাৰমান টকা ল'ব। তাৰ পৰা গহণাৰ দোকান এখনত সোমাব। তাৰ পৰা বায়েক সোণপাহীৰ বাবে সোণৰ নেক্‌লেচ্ এডাল কিনিব। সোণপাহীৰ বিয়া ২৫ আঘোণত। তাৰ একমাত্ৰ বায়েক সোণপাহীৰ বিয়া। ট্ৰেকাৰখনে তেতিয়া কোন খিনি ঠাই পাইছিল সি ঠিক ধৰিব নোৱাৰিলে। খিৰিকিৰে সি বাহিৰলৈ চাই পঠিয়ালে। অজানিতে তাৰ মনটো ভাল লাগি গ'ল। ক'ব নোৱাৰাকৈয়ে তাৰ মনটো শৈশৱলৈ উৰা মাৰিলে।



তেতিয়া তাৰ বয়স বাৰ-তেৰ মান আৰু বায়েক সোণপাহীৰ বয়স ১৬ মান হ'ব। দেউতাকে বি, এ পাছ কৰিও একো চাকৰি যোগাৰ কৰিব নোৱাৰি খেতি-বাতিতে হাত দিছিল। বাৰিষা বতৰত মাক আৰু সোণপাহীয়ে ভুঁই ৰুইছিল। দেউতাকে কঠিয়া তুলিছিল। দেউতাকৰ লগত সোণায়েও কঠিয়াবোৰ ভুঁইৰোৱা ঠাইলৈ লৈ গৈছিল। আঘোণ মাহৰ আধামান দিন যোৱাৰ পাছত ধানবোৰ পকিছিল। দেউতাক আৰু সোণায়ে ধান কাটিছিল। ধানকটা ডাৱনিও মাতিছিল। দেউতাকে ধানৰ মুঠিবোৰ একলগ কৰি বান্ধিছিল। সি ধানৰ লেচেৰি বুটলিছিল। ঘৰলৈ ধানবোৰ ভাৰ কৰি নিয়াৰ পাছত মৰণা মাৰিছিল। চাৰিটা হালোৱা গৰুৰে যুটি বান্ধি মৰণা মাৰিছিল। সোণায়েও দেউতাকৰ লগত গৰু খেদিছিল। মৰণা মৰা শেষ হ'লে সি দেউতাকৰ সতে খেৰ

জোকাৰিছিল। তাৰ পাছত খেৰবোৰ পুজিলৈ লৈ গৈছিল। সোণপাহী আৰু মাকে মৰণাৰ পৰা ওলোৱা ধানবোৰ ডলাৰ সহায়ত চাফ্ কৰিছিল আৰু চাৰিওজনে লগহৈ ধানবোৰ ভঁৰালত ভৰাই থৈছিল। তেনেকৈয়ে সিহঁতৰ সুখৰ সংসাৰখন আগবাঢ়িছিল। লাহে লাহে সিহঁতহাল ডাঙৰ হৈ আহিল। দেউতাকেও চাকৰি এটা যোগাৰ কৰি গুৱাহাটীলৈ গ'ল। সোণপাহীয়েও এদিন-দুদিন কৰি আগবাঢ়ি বি. এ. পাছ কৰিলে। সিও কলেজ পালে গৈ।

এদিন সোণপাহীক চাবলৈ কেইজনমান মানুহ আহিল। সোণপাহীহঁতৰ পৰাও দুজনমান গ'ল। অৱশেষত সোণপাহীৰ বিয়া ঠিক হ'ল। গোৱালপাৰা জিলাৰ কোনোবা এখন গাঁৱৰ শান্তনু নামৰ ল'ৰা এজনৰ লগত। সোণায়ে বুকুত কিবা এটা বিষ অনুভঁৱ কৰিলে। তাৰ একমাত্ৰ বায়েকে তাক এৰি যাব। তাৰ সুখ-দুখৰ কথাবোৰ এতিয়া কাৰ আগত ক'ব। তাৰ পেন্ট-চাৰ্টবোৰ আলনাডালত কোনে জাপি থ'ব। ঘৰৰ সমুখত থকা ফুলনীখনত কোনে পানী দিব। সোণপাহীয়েই যেন ঘৰৰ সকলো। তাইৰ অবিহনে যে ঘৰখন তেনেই উদং হৈ পৰিব। অজানিতে সোণাইৰ দুচকুৰে চকুলো ওলাই আহি তাৰ হাতত পৰিল। তেতিয়াহে তাৰ সম্বিৎ ঘুৰি আহিল। সি নামিব খুজিছিল আদাবাৰীত। কিন্তু এতিয়া আহি মাছখোৱা পালেহি।

ট্ৰেকাৰৰ পৰা নামি সি চিটিবাছ এখনতে উঠিল। এঘন্টামান পাছত সি খ্ৰীষ্টান বস্তি পালেগৈ। চিটিবাছৰ পৰা নামি সি ইফালে সিফালে চাবলৈ ধৰিলে। অলপ পাচতে সি দেউতাকক লগ পালে। দেউতাকৰ লগত দুআষাৰ মান কথা পাতোতেই তাৰ ম'বাইল ফোনটো বাজি উঠিল। জেপৰ পৰা ম'বাইলটো উলিয়াই সি কাণত ল'লে। সিফালৰ পৰা সোণপাহীৰ মাত কাণত পৰিল।

ঃ 'হেল্ল' সোণাই, তই গুৱাহাটী পালিনে নাই? মোলৈ দুপদ বস্তু আনিব লগা আছিল। যাওঁতে ক'বলৈ পাহৰিলো'।

ঃ 'কচোন কি বস্তু'

ঃ মোৰ বাবে কাপ-প্লেটৰ চেট এটা আৰু মাৰ বাবে এযোৰ ভাল চেণ্ডেল। দেউতাক লগ পালি নে নাই?

ঃ 'পাইছো দে বাইদেউ। মই চিটি বাছৰ পৰা নামিয়েই দেউতাক লগ পালো। দেউতাৰ লগত কথা পাত।'

সোণায়ে ম'বাইল ফোনটো দেউতাকৰ হাতত দিলে। দেউতাকে ফোনটো কাণৰ ওচৰলৈ নিছিলহে-

ধুম ! ধুম !! ধুম !!!

সোণপাহীৰ কাণখন ফাটি যোৱা যেন লাগিল। তৎক্ষণাত তাই ম'বাইল ফোনটো কাণৰ পৰা আতৰাই নিলে। অলপ পিছতে দেউতাকৰ লগত কথা পাতিবলৈ বুলি আকৌ ফোনটো কাণৰ কাষলৈ নিলে -

' হেল্ল' দেউতা, দেউতা------------ -

নাই কোনো সহাৰি নাই। তাৰ সলনি ম'বাইলত তাই শুনিবলৈ পালে চিঞৰ বাখৰ, কান্দোন, বহু মানুহৰ গণ্ডগোল। কি হৈছে, কি নহৈছে তাই একো ধৰিব পৰা নাই। কিছুসময় পিছতে তাই ৰাস্তাৰে গৈ থকা দুজন মানুহে কোৱা শুনিলে যে গুৱাহাটীৰ কেবা ঠাইত বোমা বিস্ফোৰণ হৈছে। গণেশগুৰি, কাছাৰী, পানবজাৰ, লালগণেশত বোমা বিস্ফোৰণ হৈছে। বহু মানুহ মৰিছে। বহু আঘাত হৈছে। সোণপাহীৰ আৰু বুজিবলৈ বাকী নাথাকিল। তাই দৌৰী গৈ মাকৰ কোচত মুখ গুজি কান্দিবলৈ ধৰিলে। মাকে একো বুজিব নোৱাৰি সোণপাহীক কি হ'ল, কি হ'ল বুলি সুধিবলৈ ধৰিলে। মাকে যিমানে সোধে সোণপাহীয়ে সিমানে বেছিকৈ কান্দিবলৈ ধৰিলে। অসহায় হৈ মাকেও কান্দিব ধৰিলে।

দুদিন পিছত দুপৰীয়া সময়ত সোণপাহীহঁতৰ চোতালত এখন বগা এম্বুলেঞ্চ আহি ৰ'ল। দুজন মানুহে দুটা মৃতদেহ এম্বুলেঞ্চখনৰ পৰা নমাই দিলে। সোণপাহী আৰু মাক কান্দোনত ভাগি পৰিল। ওচৰ-চুবুৰীয়াৰে চোতাল ভৰি পৰিল। সকলো দুখত ভাগি পৰিল। কাৰো বুজিবলৈ বাকী নাথাকিল যে উগ্ৰপন্থী সংগঠনৰ বোমা বিস্ফোৰণত সোণাই আৰু দেউতাকে এই ধৰা এৰিলে। মৌন সমদল কৰি ৰাইজে মৃতদেহ দুটি শ্মশানলৈ নিলে।

সোণপাহীৰ আৰু বিয়া নহ'ল। □□□

# বৰষুণ

ড° ললিত চন্দ্ৰ বাভা
জ্যেষ্ঠ প্ৰবক্তা, অসমীয়া বিভাগ

এজাক বৰষুণ লাগে। হয় হয়, এজাক বৰষুণৰ বৰ দৰকাৰ। এজাক কলহৰ কাণে ঢলা বৰষুণ। আজি বহুদিন ধৰি এজাক পিঠাগুৰীয়া বৰষুণো অহা নাই। পথাৰ শুকাই চিৰাল ফাট দিছে। খেতিয়কৰ ডিঙি শুকাই গৈছে। আকাশলৈ চাই চাই সিহঁতৰ ডিঙি বিষাই গৈছে। নাই, ক'তো এডুখৰি মেঘো নাই। গোটেই আকাশখন ধূলিৰে ধূসৰিত।

ভদোৰামৰ আজি বহুত দিন হ'ল। চকুত টোপনি নাই। বহুনিশা সি উজাগৰে কটাই দিছে। ৰাতিৰ আকাশলৈ চাই চাই তাৰ চকু বিষাই গৈছে। নাই, বৰষুণ অহাৰ কোনো লক্ষণেই সি দেখা নাই। আকাশলৈ চাই চাই সি ঘনে ঘনে হুমনিয়াহ কাঢ়িছে।

অইন দিনাৰ দৰেই আজিও সি সোনকালে বিচনাৰ পৰা উঠি নাঙল-যুঁৱলি কান্ধত লৈ গৰু হালৰ সৈতে পথাৰলৈ গৈছে। কিন্তু সি হাল বাবলৈ মন কৰা নাই। কি হ'ব হাল বাই ? পথাৰত পানী নাই। মিছা মিছি গৰু হালৰহে কষ্ট হ'ব। গৰু হালক ঘাঁহ খাবলৈ দি সি আলিৰ ওপৰত বহি পৰিল।

"বোলো ভদো নহয় নে এইটো?"

সি ঘূৰি চালে। এইজন ৰতন। এসময়ত ৰতনে ভাল ফুটবল খেলিছিল। বিয়াৰ পাছত ফুটবল খেলিবলৈ এৰি খেতিত ধৰিছে। পিছে কি হ'ব? খেতি পথাৰত পানী নাই। গতিকে সিও অভ্যাসবশতঃ অইন দিনাৰ দৰে ৰাতিপুৱাই পথাৰলৈ আহিছে। আৰু এতিয়া পথাৰলৈ আহি কি কৰিব, তাকে ভাবি ভাবি আহোঁতে সমুখত ভদোৰামক দেখি ৰৈ গ'ল।

"এৰা অ', পিছে এতিয়া কি কাম কৰিম তাকে ভাবিছোঁ।"—ভদোৰামে ৰতনৰ ফালে ঘূৰি চাই ক'লে।

"আমি এইবাৰ মৰিম যেনেই পাইছোঁ।"—ৰতনে হুমনিয়াহ কাঢ়ি ক'লে।

ৰতনো ভদোৰামৰ কাষতে আলিৰ ওপৰত বহি পৰিল। তাৰ গৰু হালে ভদোৰামৰ গৰুৰ লগত লগ লাগি ঘাঁহ খাবলৈ ধৰিলে।

"অই ভদো, সেই টুকুৰা মেঘ নহয় নে?"

"মেঘ?"

"অ' অ', সেই টুকুৰা মেঘেই হ'ব। চাচোন, সেইফালে চা।"—ৰতনৰ আঙুলি অনসৰণ কৰি সি পশ্চিম ফালে চাই দেখিলে যে সেই টুকুৰা মেঘেই হ'ব। ৰতন আনন্দিত হৈ আটাহ পাৰি উঠিল—"মেঘ! মেঘ! মেঘ!" আৰু সি উঠি গৰু হাল লৈ তাৰ মাটি ডৰালৈ খোজ ল'লে।

ভদোৰামে বহাৰ পৰা নুঠিল। সি মেঘ টুকুৰালৈ চাই থাকিল। পশ্চিম আকাশত দেখা দিয়া মেঘ টুকুৰা ক্ৰমে ওপৰলৈ উঠি আহিছে। মেঘ টুকুৰাৰ ক'লা বৰণলৈ চাই চাই সি এক অচিন আনন্দ অনুভৱ কৰিলে। এটুকুৰা মেঘক কেন্দ্ৰ কৰি তাৰ বহুতো কথা মনলৈ আহিল। তাৰ শৈশৱ কালৰ কথা, তাৰ লগৰ কলাৰাম, বগাৰাম, বলীন, ৰতন আদি বহুতোৰে ছবি তাৰ চকুৰ আগত ভাহি উঠিল। সিহঁতৰ অস্পষ্ট ছবিবোৰে তাৰ চকুৰ সমুখত বৰণ সলাই সলাই আহি উপস্থিত হ'ল। তাৰ মাজতে দুই এটা স্পষ্ট ছবি তাৰ চকুৰ আগত চিনেমাৰ ৰীলৰ দৰে অহা-যোৱা কৰিবলৈ ধৰিলে। লোকৰ বাৰীত আম-কঠাল চুৰ কৰি খোৱাৰ দৃশ্য, লোকচক্ষুৰ আঁৰত নাঙঠ হৈ নদীত জপিয়াই জপিয়াই গা ধোৱাৰ দৃশ্য, বিহুত হুচৰি গোৱাৰ দৃশ্য ইত্যাদি ইত্যাদি তাৰ চকুৰ আগেদি অহা-যোৱা কৰি থাকিল।

আৰু এখন ছবি তাৰ চকুৰ আগত বহুত সময় ধৰি ভাহি থাকিল। সেয়া হ'ল বগীতৰাৰ ছবি। এখন সুন্দৰ মুখৰ ছবি, পদুমৰ ঠাৰিৰ দৰে দুখন সুন্দৰ হাত তাৰ চকুৰ আগত ভাহি থকাৰ লগে লগে সংগীতৰ দৰে সমধুৰ এষাৰি মাত কাণৰ কহৰত বাজি থাকিল বহুত সময় ধৰি।

"ভদোকাই, মোক এটা সেন্দুৰীয়া আম আনি দিবি।"

সি সচকিত হৈ ঘূৰি চালে। নাই, কোনো নাই।

ধেৎতেৰি, এয়া দেখোন বগীতৰাই তাহানিতে তাক আব্দাৰ কৰি কোৱা এষাৰ কথা। সি যেতিয়া লগৰীয়াৰে সৈতে চনবাৰীত আম পাৰিবলৈ গৈছিল, তেতিয়া বগীতৰাই

প্ৰায়েই তাক এইষাৰ কথা কৈছিল। আৰু সি বছা বছা আম কেইটামান আনি তাইৰ হাতত তুলি দিছিল। ৰঙা ৰঙা আমবোৰ দেখি তাই আনন্দত চিঞৰি উঠিছিল—"বাহ ! ইমান সুন্দৰ আম।"

সেইবোৰ কথা এতিয়া অতীত হ'ল। সি আৰু বগীতৰাক আজিকালি মুকলিকৈ নাপায়। গাভৰু হোৱাৰ পাছত তাইক অন্য ডেকালৈ বিয়া দিলে। এক অনামী বুকুৰ বিষ লৈ সি এইখন গাঁৱতে থাকিল এজন সাধাৰণ খেতিয়ক হৈ। গোটেই দিনটো পথাৰত কাম কৰি দুবেলা দুমুঠি কোনো মতে উপাৰ্জন কৰি মাক-বাপেকক পোহ-পাল দি থাকিল। তাৰ মাজতে মাক-বাপেকৰ অসুখৰ চিকিৎসা কৰোঁতে দুবিঘামান মাটি মহাজনৰ বন্ধকীত যাব লগা হ'ল।

এনেকৈয়ে চলি আছে সি। কিন্তু এইবাৰৰ বতৰৰ গতি-বিধি ভাল নহয়। বৰষুণ নাই। এজাক বৰষুণৰ কাৰণে কৃষকে হাহাকাৰ কৰিব লগা হৈছে। বৰষুণ নহ'লে খেতিয়কে কৰিব কি ?

"অই ভোদো, অকলে অকলে কি ভাবি আছা ?"

"অ' জেঠাই দেখোন।"—দুৰ্যোধনক অকস্মাতে দেখি সি এক প্ৰকাৰ ঠত্‌মত্‌ খালে।

"ডেকা ল'ৰা হৈ কি যে আমন-জিমনকৈ বহি আছা ? কাম কৰ, কাম কৰ। এই বয়সতে যদি ধন অলপ ঘটি নোলোৱা, পাছত পস্তাবা বাপ্লৈকে।"

"এহ ! জেঠাই যে আৰু কি কয় !"

"বাৰু বাৰু, মই যাওঁদে।"

দুৰ্যোধন যোৱা কাৰণে সি এক প্ৰকাৰ ভালেই পালে। এওঁক আজিকালি সি একেবাৰেই দেখিব নোৱাৰা হৈ পৰিছে। এৱেঁই যোৱা বছৰ তাৰ মাক-বাপেকক ফুচুলাই কেনেবাকৈ মহাজনৰ খুৰী জীয়েকজনীক তাৰ ডিঙিত ওলমাই দিছিল। তেতিয়াৰে পৰা সি এই মানুহজনক চকু পাৰি দেখিব নোৱাৰা হ'ল। আনহাতে তাৰ নকইনাজনীকো সি মনেৰে গ্ৰহণ কৰিব নোৱাৰাৰ কাৰণে এক মানসিক অশান্তিত দিন কটাব লগীয়া হ'ল। মানুহজনীয়ে এই সকলোবোৰ গম পায়ো গম নোপোৱাৰ ভাও জুৰি তাৰ শুশ্ৰূষাত দিন কটায়। ভদোৱামৰ কেটেৰা-জেঙেৰা মাৰি কোৱা কথাবোৰ নীৰৱে সহ্য কৰি কামবোৰ কৰি যায়। মানহজনীৰ ধৈৰ্য দেখি সি মাজে মাজে তভক মাৰি ৰয়।

অকস্মাতে হৰ্ হৰ্কৈ বৰষুণজাক আহিল। সি বহাৰ পৰা নুঠিল। বৰঞ্চ বহুদিনৰ পৰা আশা কৰি থকা বৰষুণজাক অহাত সি এক প্ৰকাৰ আনন্দ অনুভৱ কৰিলে। পথাৰত দেও পাৰি পাৰি নাচিবলৈ তাৰ মন গ'ল। বহুত সময় বৰষুণত তিতাৰ পাছত সি অনুভৱ কৰিবলৈ ধৰিলে যে তাৰ ঠাণ্ডা লাগিবলৈ আৰম্ভ কৰিছে। তেতিয়াহে তাৰ মনত পৰিল যে এই কেইদিন ৰাতি ৰাতি তাৰ জ্বৰ উঠি আহিছে। সি খৰ্ ধৰ্কৈ গৰুহাল গোটাই লৈ ঘৰলৈ আহিবলৈ ঠিক কৰিলে।

আধা বাটমান যোৱাৰ পাছত দেখিলে যে ঘৈনীয়েকে তাৰ কাৰণে জাপি এটা লৈ আহিছে। জাপিটো সি কোনো কথা নোকোৱাকৈয়ে মূৰত লৈ খৰ্ ধৰ্কৈ ঘৰলৈ খোজ দিলে। ঘৰ পাই গোহালিত গৰু দুটা বান্ধি থৈ বৰষুণত তিতা কাপোৰযোৰ সলাই সি চিধাই বিচনাত বাগৰ দিলে। ইতিমধ্যে তাৰ মূৰত তীব্ৰ জ্বৰ উঠি আহিছে। কাণে মূৰে লেপখন ঢাকি লৈ সি কঁপিবলৈ ধৰিলে। ঘৈনীয়েকে গৰম তেলেৰে তাৰ হাত-ভৰিত মালিচ কৰিবলৈ ধৰিলে। বহুত সময় মালিচ কৰাৰ পাছত তাৰ গাৰ পৰা ঠাণ্ডা ভাব আঁতৰিল। মূৰৰ পৰা লেপখন আঁতৰাই সি ঘৈনীয়েকলৈ চাই পঠিয়ালে। এইজনীয়ে তাৰ ঘৈনী, যিজনীক সি অনবৰতে কেটেৰা-জেঙৰা মাৰি আহিছে। ভৰি এখন খোৰা হোৱাৰ কাৰণেই সি তাইক আজিলৈকে ভালকৈ গ্ৰহণ কৰিব পৰা নাই। এষাৰ ভাল মাতেৰে সি তাইক আজিলৈকে মতা নাই। অথচ এইজনীয়ে তাক অনবৰতে সুখ দিবলৈ চেষ্টা কৰি আহিছে। এক অনুশোচনাত তাৰ মন দগ্ধ হ'বলৈ ধৰিলে। অথচ তাৰ পুৰুষসুলভ মনে তাইৰ ওচৰত ক্ষমাও বিচাৰিব খোজা নাই।

সি তাইৰ সোঁহাতখনত ধৰি ওচৰলৈ টানি আনিলে। অবাক হৈ ঘৈনীয়েকে তাৰ ফালে চালে।


"তুমি মোক ভালপোৱা ?"

এইবাৰ ঘৈনীয়েকে আহি তাৰ বুকুৰ ওপৰত মুখখন গুজি 'ও' বুলি কৈ কান্দিবলৈ ধৰিলে। বৰষুণত তিতা তাৰ বুকুখন অলপ আগতে শুকাইছিলহে। এতিয়া ঘৈণীয়েকৰ চকুৰ পৰা ওলোৱা নিৰবচ্ছিন্ন চকুপানীয়ে তাৰ বুকুখন আকৌ তিয়াবলৈ ধৰিলে। সি ঘৈনীয়েকৰ মূৰটো অইন দিনাৰ দৰে আঁতৰাই নপঠালে। বৰং মূৰটো সাৱটি লৈ আল্‌ফুলে মৰম কৰিবলৈ ধৰিলে। ❑❑❑

# দুই দশমিক পাঁচ আৰু ডাইমেনচন

পুলক তালুকদাৰ
প্ৰবক্তা, ইংৰাজী বিভাগ

পোনতে কৈ লোৱা ভাল হ'ব মই এজন গল্পকাৰ। আৰু আপোনাসৱে জানেই গল্পকাৰ হিচাপে মই মিছা কোৱাত পাকৈত। তাতোকৈ পাকৈত জীৱনৰ তিতা-মিঠা, কেঁহা-টেঙা অভিজ্ঞতাক নানা ধৰণে সজাই (সমালোচকৰ ভাষাৰ মচলা সানি) আপোনাসৱৰ আগত ডাঙি ধৰো। মই আজি যি কাহিনী ক'ব খুজিছো সেয়া এটি বেয়া দিনৰ। মাতা দুৰ্গা কামাখ্যা দেৱী লক্ষ্মী, সৰস্বতী, পেঁটুৱা, বাবা ভোলানাথ, মহিষমৰ্দিনী আদি নানা দেৱ-দেৱীক প্ৰাৰ্থনা কৰো যে, আপোনাসৱ ভদ্ৰ, লাজুকীয়া, নিমাষিত ও সময়ত এল, আই, চিৰ প্ৰিমিয়াম দিয়া পাঠকসকলক বেয়া দিন যেন নেদেখুৱাই। কিন্তু কি কৰিব বেয়া দিন আহেই। মাহৰ শেষত ম'বাইলৰ বিল, ইলেকট্ৰিচিটি তথা অন্যান্য যিকোনো বিলৰ দৰেই আৱশ্যম্ভাবীৰূপে বেয়া দিন আহে। কেতিয়াবা আহে নিৰ্বাচনী বতৰত চুচুক-চামাককৈ মিঠা হাঁহিৰে দুৰ্জন এম, এল, এ বিলাকৰ দৰে। আৰু কেতিয়াবা আহে দুৰ্গা পূজাৰ জেলেপীৰ দোকানৰ দৰে চাৰিওফালে চক্ৰান্ত কৰি বহি থাকি। যি নহওক বেয়া দিন আহে। যিসকল এই বিষয়ে অভিজ্ঞ তেওঁ বিলাকক এই সম্পৰ্কে নোকোৱাই ভাল। কিন্তু যিসকল এই বিষয়ে তেনেই চালুকীয়া তেওঁ বিলাকক কওঁ বেয়া দিন আচলতে অন্য যিকোনো দিনৰ দৰেই আহে। কেৱল তাৰ গতি পথ অলপ বেলেগ ধৰণৰ হয়। যেনে ধৰক মিঃ ডম্বৰুৰ সিদিনা এটা বেয়া দিন আছিল। ধৰি লওক এওঁ পুণা চহৰৰ ছাত্ৰ। মহাবাহু ব্ৰহ্মপুত্ৰৰ দুপাৰ উপচা সন্দেহজনক বিদেশী সাবটি থকা দুপাৰ জিলিকাব নোৱাৰি তেওঁ পুণা গামী হ'ল। পুণা চহৰৰ বিশ্ববিদ্যালয়ত ইংৰাজী সাহিত্যৰ ছাত্ৰ হিচাপে মকৰল হ'ল। সিদিনাখন তেওঁ ৰাতিপুৱা উঠি দেখিলে ৰাতি পুওৱা নাই এথোন। আকৌ এবাৰ শুই ল'লে। এইবাৰ উঠি দেখিলে ৰ'দে চৌ চৌ, ভৰ দুপৰ। দৌৰা দৌৰিকৈ প্ৰাতঃ কাম সমাধা কৰি ভাবিলে একাপ চাহ খোৱা যাওক। কথা মতে কাম হ'লহেঁতেন যদিহে চাহপাতৰ টেমাটোত আদবয়সীয়া নিগনি এটা নাথাকিলহেঁতেন। অন্যহাতে চেনীৰ টেমাটোতো চৰিত্ৰহীন পৰুৱা কিছুমান বহি আছে। চাহ খোৱাৰ আশা পৰিত্যাগ কৰি তেওঁ খৰধৰকৈ ওলাওতেই দেখিলে দুৱাৰ মুখত যণ্ডামাৰ্কা চেহেৰাৰ মাখনলাল ডুবে-তেওঁৰ ঘৰৰ মালিক। 'তুচি আইচি... আই...' ইত্যাদি নানা ধৰণৰ সুৰদি গালি বৰ্ষণ কৰি



ডুবে চাহাবে বুজালে যে তিনি দিনৰ ভিতৰত যদি সমুদায় ভাড়া আদায় দিয়া নহয় তেন্তে ডম্বৰুক ফুটপাথ নতুবা শ্মশান ঘাটত পছচাই দিয়াৰ ব্যৱস্থা কৰা হ'ব। ফাগুনৰ বতাহত কপি থকা কলপাতৰ দৰে কঁপি কঁপি ডম্বৰু দৌৰি যোৱাৰ দৰে ওলাই গ'ল। 'যঃ পলায়তি চঃ জীৱতি, 'নিহিল উলট্ৰা' যৎপৰোনাস্তি।' হওঁতে তেওঁৰ এখন দুচকীয়া বাহন আছে। ঠিক তেওঁৰ নিজা নহয়। গাখীৰ বিক্ৰী কৰা জোশীৰ সেইখন। ৰাতিপুৱা গাখীৰ বিলাই আহি সেইখন ডম্বৰুক দি দিয়ে মৰমতে। মাহেকত সাতশ টকাটোৰে মৰমৰ জোৰ কাঢ়িব পাৰেনে? এই বাহনখন দেখিলে এনেকুৱা ভাব হয় যেন পতুৰ্গীজসকলে মালবাহী জাহাজ হিচাপে

ইয়াক লৈ আনিছিল। কালক্ৰমত সেয়াই এখন দুচকীয়া বাহনৰ ৰূপ ল'লে। ৰাতিপুৱা গাখীৰৰ নানান পাত্ৰ ওলমি থকা অৱস্থাত ইয়াৰ পূৰ্ব পৰিচিতি বিচাৰি পোৱাত অসুবিধা নহয়। যি নহওক দৌৰি গৈ তেওঁ বাহনখন ল'লে। যিমান সোনকালে এই ঠাই পৰিত্যাগ কৰিব পাৰি সিমানেই মঙ্গল। পিচে আপুনি অনুমান কৰাৰ দৰেই অনেক চেষ্টা আৰু ঘাম খৰছ কৰাৰ পিছতো বাহন নচলিল। দুৰ্বলভাবে পদব্ৰজে তেওঁ বাছষ্টেণ্ডলৈ গ'ল। মাজতে নানা ঘটনা ঘটিল। যেনে বাছৰ কণ্ডাকটৰে নেউল বুলি গালি পাৰিলে। হেচা ঠেলা কৰা বুলি মহিলা এগৰাকীয়ে ছাতিৰে মূৰত একোব মাৰিলে। (ঘোঁৰাৰ গোবৰত খোজ দিয়া কথাটো নকলোৱেই বা)। নানানটা দুৰ্ঘটনাৰ মাজেদি মিঃ ডম্বৰু পুণা বিশ্ববিদ্যালয়লৈ ৰাওনা হ'ল। কাৰণ? কাৰণ! কাৰণ তাৰ লাইব্ৰেৰীত পৃথিৱীৰ আটাইতকৈ সুন্দৰ, নিমজ আৰু সুকলমে টোপনি মাৰিব পাৰি। ঠিক তেনে এটা আশা কৰি ডম্বৰুই লাইব্ৰেৰীত টোপনি মাৰিব লৈছে মাত্ৰ। তেনেতে নীনা সোমাই আহিল। মোৰ যদি ভুল হোৱা নাই আপোনাসৱে সন্দেহ কৰিছে এও ডম্বৰুৰ প্ৰেমিকা। এটা কথা কওঁ মহাশয়, যি মানুহে এটা গেঞ্জীৰে দুবছৰ চলে তেওঁৰ প্ৰেম কৰাৰ সাহস নাথাকে। বন্ধু বুলি ধৰি ল'লে সকলো ওজৰ ওৰ পৰে। নীনা আহিল। চচ্মাৰ মাজেৰে ডম্বৰুৰ ফালে চালে। নীনাৰ এই চচ্মাযোৰ অতি প্ৰাচীন। আৰু এই প্ৰাচীনতাই তাইক প্ৰাগ-ঐতিহাসিক কৰি তোলে। ডম্বৰুই এই কথা নীনাক ক'ব খোজে। কিন্তু ভাষাৰ অভাৱত সেয়া কোৱা হৈ নুঠে। নীনা আহিল। 'বায়'গ্ৰাফীয়া লিটাৰেৰীয়া'খনেৰে ডম্বৰুৰ মূৰত একোব মাৰিলে আৰু ক'লে 'ডম্বৰু তুমি এটা নিমখৰ বস্তা'।

'ইউ মিন এ বেগ অৱ চল্ট? আয়'ডিনযুক্ত নে আয়'দিন বিহীন?'

'তুমি গৰু-গাহৰিয়ে খোৱা নিমখৰ বস্তা'। শুনা তুমি কৌটিল্য চক্ৰৱৰ্ত্তী ছাৰৰ পেপাৰত দুই দশমিক পাঁচ পাইছা, বিশৰ ভিতৰত, তুমি ফেল'।

'আৰু তুমি নিজকে কি বুলি ভাবা? তুমি হেনো লিখিছা চেক্সপীয়েৰ পঢ়িলে তোমাৰ বাৰেৰহনীয়া চাৰ্কাচ যেন লাগে বা হাড় চোবাই থকা চিতা বাঘ যেন? আৰু তুমি লিখিছা ইলিয়ট তলে পুতল আৰু ৱৰ্ডচৱৰ্থ কোষ্ঠকাঠিন্যত ভোগা মানুহৰ দৰে। গ' তু হেল।'

আপোনাসৱে বুজি উঠিছে ইমান সময়ে মিঃ ডম্বৰুৰ মূৰ আচন্দ্ৰাই কৰি উঠিছে। পৰীক্ষাত ফে'ল। ইফালে বিধবা মাকৰ যে চিঠিখন ... বাবা তোৰ ওপৰত ঘৰৰ সকলোৱে আশা... কিবা এটা কৰ। যিখিনি কথা পৰীক্ষাত লিখিছিল সেয়াটো বহুত কষ্ট সাধ্য কৰি জ্ঞান সঞ্চয় কৰিয়েই লিখিছিল। তেনে? আৰু দশমিকটোৰ মানেনো কি সেয়া নীনাক সোধা নহ'ল।

ভাৰাক্ৰান্ত মনেৰে ডম্বৰু ঘৰলৈ ঘূৰি আহিল। এনেকুৱা লাগিল নিজকে যেন ভোজ খাবলৈ গৈ কোব খাই ঘূৰি অহা কুকুৰটোহে। তেনেকৈ সন্ধ্যা নামি আহিল। পুণা চহৰৰ ব্যস্ত বুকুলৈ। অৱশ্যে সন্ধিয়া তাত বগলীৰ জাক ঘূৰি নাহে বাঁহৰ আগৰ পঁজালৈ। তাত সন্ধ্যা মানে কৃত্ৰিম পোহৰ। অশান্ত মনক শান্ত কৰিবলৈ ডম্বৰুৱে ৰামলালৰ আশ্ৰয় ল'লে। এওঁ আকৌ কোন? ৰামলাল নাইট চকীদাৰ। সন্ধিয়া গঞ্জিকা সেৱন কৰে। গঞ্জিকা দেৱীৰ আশীৰ্বাদ লৈ ডম্বৰু ফুট গধূলিতে নিদ্ৰামগ্ন হৈ পৰিল। নিদ্ৰা হোনো পৃথিৱীত দেৱদূতে প্ৰদান কৰা অব্যৰ্থ মলম। বহুদিনীয়া পুৰণি দুখো এটি মাথো গভীৰ নিদ্ৰাই লাঘৱ কৰিব পাৰে। তেনে স্থূলত দুই দশমিক পাঁচনো কি কথা? টোপনিৰ পৰা সাৰ পাই ডম্বৰুই দেখিলে তেতিয়া নিশা হৈছে। ঘড়ীটো চাই দেখিলে নিশা গৈ গৈ মাজ নিশাত পৰিছে। এয়াই মহা মহা চহৰৰ বাহাদুৰী। কেতিয়াবা দিনতেই অমানিশা। আনহাতে ৰাতিও ফৰিংফুটি থকা জোনাক যেন। দিন আৰু ৰাতিৰ কুহেলীকাময় পৰিৱেশ। ইতিমধ্যে ডম্বৰুৰ চিন্তাবোৰ পাতল হৈছিল। আকৌ মনত ৰাতিপুৱা খাব নোপোৱা চাহ কাপৰ কথা মনত পৰিল। নিশা দুই বজাত চাহ খাবলৈ এঠাইতহে পোৱা যায়। 'শিৱাজী নগৰ বাছষ্টেণ্ড।' নাচিক, নাগপুৰৰ যাত্ৰী অনবৰতেই তাত থাকে আৰু থাকে সেই যাত্ৰীসকলক সকাহ দিবলৈ পান দোকান আৰু চাহ দোকানবোৰ। কথামতে কাম। ডম্বৰুই অনতিপলমে সেই ঠাই পালে। মৰুদ্যানৰ দৰে দুৰৈত জিলিকি আছে চাহ আৰু পকোৰীৰ সমাহাৰ। বাছষ্টেণ্ডৰ আওহতীয়া চুক এটাত বহি ডম্বৰুই চাহত চুমুক দিছে মাত্ৰ তেনেতে - 'ভিনি ভিডি ভিছি'।... এটা অদ্ভুত মাতেৰে মাত দিলে কোনোবাই। মাত এক প্ৰকাৰ হ'ব পাৰে টেং টেঙৌয়া, চেহ্ চেহীয়া, ঘোৰ্ঘৰনী সদৃশ, ফুচ ফুচীয়া

নানাবিধ। কিন্তু ধৰক এটা মাত দীঘলীয়া পাইপ এডালেৰে বৈ আহিলে, মাজতে কেবা ঠাইতো ঘূৰ পাক খালে আৰু শেষত আহি নাক, তালু, কাণ সকলোতে নিৰ্গত হ'ল। এইটো আছিল তেনেকুৱা এটা কাণ্ড। ডম্বৰুৰ কলখোৱা কলিজা টিপ্ টিপ্াই গ'ল। 'কৌন-কাহা, Speaking who ? কে কোন, বলতই, কে?' ইত্যাদি নানা ভাষাৰে ডম্বৰুৱে চিঞৰি উঠিল। চাহৰ কাপ উফৰি মাটিত পৰিল। তেওঁ দেখিলে ওচৰতে মাটি ফুটি ওলোৱাৰ দৰে মানুহ এজন। ডিঙিত ৰঙা-বগা মাফ্লাৰ। এহেজাৰ বছৰীয়া পুৰণি জিনচ্ এটা। পাঁচ ফুট দুই ইঞ্চি উচ্চতা। আৰু নাকটো? ভাটৌ, গাহৰি আৰু হাতীৰ নাক মিলাই দিলে যি নাকটো হ'ব ঠিক তেনে। মানুহজনে খিক্ খিকাই অপাৰ্থিৱ হাঁহি এটা মাৰিলে। আৰু হাঁহিটো শেষ নৌহওতেই কাঁহিবলৈ আৰম্ভ কৰিলে। তাৰ পিছত সেহাই সেহাই আকৌ ক'লে 'ভিনি ভিডি ভিছি মিঃ ডম্বৰু, মই আহিলো, তোমাক দেখিলো আৰু জয় কৰিলোঁ'।

'আপুনি মোৰ নাম কেনেকৈ জানে?' 'আই এম প্ৰফেচাৰ নামবুৰি পাড গোখলে। মই বহু কথা জানো। তোমাৰ দুই দশমিক পাঁচ, নীনা আৰু মাৰাৰ চিঠি হিঃ সিঃ সিঃ হিঃ'। আকৌ সেই হাঁহি। আপোনাসৱে নিশ্চয় বুজিছে। ডম্বৰুৰ অৱস্থা। বৰ্ণনা কৰিব নোৱাৰা ধৰণৰ মুখ ভংগীমা কৰি ডম্বৰুৱে সুধিলে 'কিন্তু, মই! মোক! কিয়, কি, কেনেকৈ?'


প্ৰফেচাৰ গোখলেই ক'লে- 'তুমি ভাবিছা তোমাক কিয় মই লম্ভিলো। আচলতে এই চহৰত কথা শুনা মানুহৰ অভাৱ। তোমাক দেখিলেই লাগে তুমি এজন ভাল শ্ৰোতা। আৰু তোমাক ক'বলগীয়া মোৰ বহু কথা আছে।' বেচেৰা ডম্বৰুৰ জানো আন কিবা উপায় আছিল।

প্ৰফেচাৰ গোখলেই আৰম্ভ কৰিলে- 'এই যে পৃথিৱী, তাৰ ওপৰত বিশ্বব্ৰহ্মাণ্ড আৰু ডাইমেনচন, তাৰো ওপৰত এক শক্তি। আমাৰ ব্যক্তিগত সুখ-দুখ, অভাৱ অভিযোগ ডাইমেনচনৰ শক্তিৰ ওপৰত নিৰ্ভৰশীল। প্ৰতিটো ঘটনা নিৰ্ভৰশীল এই ডাইমেনচনৰ ওপৰত। সৰু সৰু ঘটনা আৰু জীৱন আৰু শেষত ঈশ্বৰ, যাৰ অৰ্থ হ'ল অনন্ত, অন্তহীন কুহেলিকা আদি ইত্যাদি। মিঃ ডম্বৰু, আপোনালোকে মন কৰিছে নিশ্চয় এটা বাদ্যত পৰিণত হৈছে। ভোলানাথ বাবাই অবলীলা ক্ৰমে হাতৰ এটি মুদ্ৰাত সোঁফাল-বাওঁফালে ঘূৰাই বজাই আছে আৰু আপোনালোকে জানে বাদ্যৰ নিজা কোনো জীৱন নাথাকে। কোনোবাই ভালকৈ বজালে সুৰীয়াকৈ বাজিব, নহ'লে না টিন, সা পা আদি। প্ৰফেচাৰ গোখলেই কৈ গ'ল- 'মই ডাইমেনচনৰ বিষয়ে গৱেষণা কৰি গুপুত জ্ঞান লাভ কৰিছোঁ। এইটো এটা সুত্ৰ নহয়। এক প্ৰবল শক্তি' আদি কৈ হঠাৎ মানুহজন নোহোৱা হৈ গ'ল। যাওঁতে দি গ'ল এখন কাৰ্ড। "প্ৰফেচাৰ এন, পি, গোখলে নাৰিমান হাউচ"। আকৌ ডম্বৰুৰ চকু টিপলিং কৰি উঠিল। নাৰিমান হাউচত ভূত থকা বুলি পুণাৰ সকলোৱে জানে।

কিবাকৈ চুচৰি বাগৰি মিঃ ডম্বৰু আহি ৰুম পালেহি। তাৰ পিছত বিভ্ৰান্ত শৰীৰক নিদ্ৰা দেৱীৰ কোলাত তুলি দিলে। তাৰ পিছ দিনা কি হ'ল থোৰতে আপোনালোকক জনাব খুজিছো। পিছ দিনা সাৰ পায়ে ডম্বৰুৱে দেখিলে টেবিলত এখন চিঠি, ওপৰত লিখা আছে- 'প্ৰতি, মিঃ ডম্বৰু, সাহিত্য আৰু বলিয়ালী বিভাগ। ভিতৰত লিখা আছে - মিঃ ডম্বৰু মই ডাইমেনচনৰ বিষয়ে গৱেষণা কৰোতে এক প্ৰৱল শক্তিৰ মুখামুখি হৈছো, যি মানুহক জ্ঞান আৰু বোধ প্ৰদান কৰাৰ এক প্ৰৱল পৰিপন্থী। সেই শক্তিয়ে হয়তো মোক ধ্বংস কৰি পেলাব। তাৰ আগতে মই আপোনাৰ কাম কৰি দিছো। আপুনি কেতিয়াও দুই দশমিক পাঁচ নহয়। বৰং ১৫.৯ বা ১৬.৫ আদি ইত্যাদি'। হঠাৎ চিঠিখনৰ আখৰবোৰ চিঠিৰ পৰা সৰি পৰিল আৰু এজাক পৰুৱা হৈ দেৱালৰ গাঁত এটাত সোমাই পৰিল। ডম্বৰুৱে কি কৰিব নকৰিব অৱস্থাত ঢলং পলং কৈ খোজ ল'লে। ক'ত যাব তেওঁ নাজানে। ফুটপাথৰ কাষৰ টি, ভিৰ দোকানত চকু থিৰ হ'ল। টি. ভিত বাতৰি দি আছে- "কালি ৰাতি উল্কাৰ ভীষণ খুন্দাত কনাৰীমান হাউচ ধ্বংস। এটা পাঁচ ফুটীয়া মাফলাৰ পৰিহিত মৃতদেহ উদ্ধাৰ............ বাতৰি কৈছে সুৱৰ্ণ লেখাই ..........।" ডম্বৰুৰ মূৰটোত যেন কেবাটাও উল্কা ভাগি পৰিছে।

তাৰ পিচত কি হ'ল আপোনাসৱক কওঁ শুনক। কৌটিল্য চক্ৰৱৰ্তীয়ে ডম্বৰুক মাতি নি ক'লে- "শুনা ডম্বৰু, তোমাৰ নম্বৰ মই বঢ়াই দিম। কিন্তু সাৱধান যাতে পৰীক্ষা বহীত অকথ্য কথা দুনাই নিলিখা।"□□□

# মোহভংগ



নন্দা দেৱী
মুৰৰী অধ্যাপিকা, প্ৰাণীবিদ্যা বিভাগ

বাৰাণ্ডাত বহি বহু সময় কটালে গোলাপ মহন্তই। হঠাতে আলি বাটৰ সিপাৰলৈ চকু গ'ল। চকু দুটা টিপ নমৰাকৈ চাই থাকিল। অজানিতে এটা হুমুনিয়াহ ওলাই আহিল। তেওঁৰ ঘৰৰ সন্মুখতে আলিৰ সিটোপাৰে এটা প্ৰকাণ্ড বহুমহলীয়া ঘৰ আৰম্ভ কৰিছে-কোনো এক অচিন ব্যক্তিয়ে। ঘৰৰ মালিক কোন তেওঁ আজিলৈকে গ'ম পোৱা নাই। মাথো শুনিছেহে বহু ধনী মানুহ বুলি। ঘৰটো সজাৰ সম্পূৰ্ণ কাম বিল্ডাৰ্ছৰ ওপৰত এৰি দিছে।

এৰা, এইখিনিতে আছিল ৰামেশ্বৰ, ৰামেশ্বৰ কলিতাৰ ঘৰ। ৰামেশ্বৰ আছিল পেটে-ভাতে খাই থকা সোমেশ্বৰ কলিতাৰ দ্বিতীয় পুত্ৰ। সোমেশ্বৰ দুখীয়া যদিও সৎ স্বভাৱৰ আছিল। কিন্তু ৰামেশ্বৰ আছিল সৰুৰে পৰাই উদণ্ড, লগ সমনীয়াৰ লগত মিলি থাকিব নোৱাৰা বিধৰ। দুই-এজন দুষ্ট সংগীৰ লগত পৰি বহু নকৰিবলগীয়া কাম কৰি ফুৰিছিল। কিমান দিন যে প্ৰাণেশ্বৰৰ বাৰীৰ নাৰিকল জোপালৈ দলিয়াই বেয়াকৈ অপদস্ত হ'ব লগা হৈছিল। অলপ পইচাৰ বিনিময়ত দেউতাকৰ চকুৰ আগতেই বহু নকৰিবলগীয়া কাম কৰিছিল। দেউতাকে তাক সৰুতে বহু বুজনি দিলে। কিন্তু একো কামত নাহিল। লাহে-লাহে সি সীমাৰ বাহিৰ হ'ল। ঘৰখনে চকুমুদা কুলিৰ ভাও ধৰিলে, উপায় যে নাই। ককায়েক মনেশ্বৰে পঢ়া-শুনা কৰি চাকৰি এটাত সোমাই লৈ সাধাৰণভাৱে জীৱন যাপন কৰি আছে। ভনীয়েক বাসন্তীও এখন ভালঘৰৰে বোৱাৰী।

এদিনৰ কথা, ৰামেশ্বৰৰ বয়স তেতিয়া ২০-২২ মান হ'ব। হঠাতে সি এজনী ছোৱালীলৈ ঘৰ ওলালহি। মাক-দেউতাক মনেশ্বৰ, ককায়েক হতভম্ব। কি হ'ব এতিয়া? মাকে বহুত গালি-গালাজ কৰিলে, কান্দিলে। কিন্তু তাৰ অনুশোচনা নাই। দেউতাকে ধৈৰ্য্য ধৰিলে। কিছুদিন পিছত সি ছোৱালীজনী লৈ ঘৰৰ পৰা ওলাই গ'ল। অ'ত-ত'ত থাকি সি তাৰ সংসাৰ আৰম্ভ কৰিলে। সি এদিন ড্ৰাইভাৰ হ'ল। নগেন মহাজন, হৰি মহাজনৰ গাড়ী চলাবলৈ ল'লে। অৱশ্যে এঘৰতো সি দীৰ্ঘস্থায়ী নহ'ল। কাৰণ তাৰ স্বভাৱ। কেইদিনমান কাম কৰে, কেইদিনমান বহে। কেতিয়াবা আকৌ চলাই থকা গাড়ী খনৰে সি পাৰ্টচ চুৰ কৰি বিক্ৰী কৰে, ধৰাও পৰে। দুই-এটা লপা-থপা, দাবি-ধমকি খাই কামলৈ নোযোৱা হয়। আনহাতে সি বিৰাট মদাহী।

ৰামেশ্বৰ এতিয়া দুটা সন্তানৰ পিতৃ। কোনোমতে খাই থকা পৰিয়ালটোত এইবাৰ আকৌ আগমন ঘটিল এহাল যঁজা ল'ৰা-ছোৱালী। ৰামেশ্বৰৰ মানুহজনীৰ কোলাত এমা-ডিমা চাৰিটা সন্তান। খোৱাৰ অভাৱ, পিন্ধাৰ অভাৱ। লাহে লাহে মানুহজনী প্ৰসূতিজনিত ৰোগত ভুগিবলৈ ধৰিলে। তথাপিও

মানুহজনৰ মন কান নাই। চিকিৎসাৰ কোনো মুখ দেখা নাই, আশাও দেখা নাই। লাহে লাহে কথাবোৰ তাৰ ঘৈণীয়েকৰ ঘৰৰ মানুহৰ কাণত পৰিলগৈ। খবৰ লবলৈ আহি ভনীয়েকৰ দুৰ্দশা দেখি বায়েক আৰু ককায়েকৰ চকুৰ পানী ওলাল। সিহঁতে ভনীয়েকক ঘৰলৈ নিব খুজিলে। কিন্তু ৰামেশ্বৰ নাচোৰ বান্ধা, সি ঘৈণীয়েকক নিবও নিদিয়ে, চিকিৎসাৰ ব্যৱস্থাও নকৰে।

এইবাৰ ৰামেশ্বৰৰ ঘৈণীয়েক চতুৰ্থ বাৰলৈ গৰ্ভৱতী হ'ল। কিন্তু এইবাৰ তাইৰ দুখ ভগৱানৰ সহ্য নহ'ল। প্ৰসৱৰ সময়ত শিশুটোৰ স'তে মাকৰ মৃত্যু হ'ল। তাই মুক্তি পালে। ৰামেশ্বৰৰ মদ খোৱাৰ পৰিমাণ আগতকৈয়ো চৰিল। মোমায়েক আৰু জেঠায়েকে জোৰ কৰি ৰামেশ্বৰৰ ডাঙৰ ল'ৰা ধন আৰু ডাঙৰ ছোৱালী ববীক লৈ গ'ল। ৰামেশ্বৰৰ লগত থাকিল মুন আৰু ৰুবী। সিহঁতৰ প্ৰতি ৰামেশ্বৰৰ অকণো মন-কাণেই নাই। ফলত সিহঁত দুয়োৰে অৱস্থা পুতৌ লগা বিধৰ হ'ল। ওচৰ -চুবুৰীয়াৰ ঘৰত কেতিয়াবা হয়তো সমনীয়াৰ লগত খেলি থাকোতে খায়। কেতিয়াবা একো নোখোৱাকৈয়ে দিনটো পাৰ কৰে। ৰামেশ্বৰৰ ব্যৱহাৰত অতিষ্ঠ হৈ ওচৰ-চুবুৰীয়াই অৱশেষত সিহঁতৰ খবৰ লোৱা বাদ দিলে। ৰামেশ্বৰে এইবাৰ আকৌ এজনী তিৰোতা চপাই ল'লে। ফলত মুন আৰু ৰুবীয়ে মাহীয়েকৰ অত্যাচাৰৰ বলি হ'ব লগা হ'ল। ভাগ্যৱশত এঘৰ আত্মীয়ই ৰুবীক লৈ গ'ল কাম-বনত সহায় হ'ব বুলি। মুন গ'ল গৈ চহৰলৈ। চাৰিও ভাই-ভনীৰ যোগাযোগ নোহোৱা হ'ল।

লাহে লাহে ধনে পঢ়াশুনা কৰি মোমায়েকৰ সহায়তেই চাকৰি এটা যোগাৰ কৰিলে। কোনো এটা কোম্পানীৰ ৰান্ধনি আৰু সেই কোম্পানীৰ কাম সাপেক্ষে সি বহু ঠাই ঘূৰিলে। উদ্দেশ্য অলপ টকা জমা কৰি আটাইকেইটা ভাই-ভনী পুনৰ লগ হোৱা। তাৰ পিছত মাকে আনৰ ঘৰত কাম কৰি অৰ্জা টকাৰে কিনি থৈ যোৱা পাহাৰৰ দাঁতিত থকা মাটিখিনিত সিহঁতে ঘৰ সাজিব। যিখিনি মাটিক লৈ মাকে সিহঁতৰ সোণৰ সংসাৰৰ সপোন ৰচিছিল।

এদিন ধন সচাঁকৈয়ে ঘৰলৈ আহিল। আহিয়ে দেখিলে- মাহীমাকৰ দুটা ল'ৰা। তাৰ বুকুখনত খোচ মাৰি ধৰিলে। মাকলৈ তাৰ মনত পৰিল। সি দেউতাকক লগ কৰিলে আৰু মাটিৰ ভাগ বিচাৰিলে। কিন্তু দেউতাকৰ কথা-বতৰা, ব্যৱহাৰত সি বৰ আঘাত পালে। বহু গুণা-গথা কৰি সি অহাবাটে ঘূৰি গ'ল। বহুদিনলৈ সি ঘৰৰ ফালে নাহিল। ইতিমধ্যে ববীক জেঠায়েকহঁতে বিয়া দিলে।

মুনে বহুদিন বেলেগৰ ঘৰত থাকি গাড়ীৰ কাম শিকি ল'লে। বৰ্ত্তমান সি এখন নিজাকৈ উইংগাৰ লৈ চলাবলৈ লৈছে। এদিন ওচৰ-চুবুৰীয়াৰ মুখত খবৰ লৈ সি আৰু ধনে ৰুবীক বিচাৰি ওলাল। ৰুবী গাভৰু হৈছিল। সিহঁতে প্ৰথমে ৰুবীক চিনি পোৱা নাছিল, এখন বোলছবিৰ কাহিনীৰ দৰে। শেষত যেতিয়া চিনি পাইছিল, তিনিও হেপাহ পলুৱাই কান্দিছিল। অৱশেষত তিনিও মিলি ববীৰ নতুন ঘৰখনলৈ গৈছিল। তাতে আলোচনা কৰিছিল এখন নতুন ঘৰৰ। মাটিৰ চৰা দামলৈ চাই সিহঁতে পুনৰ মাকৰ মাটিখিনি বিচাৰি যোৱাৰ সিদ্ধান্ত কৰিলে।


ববীৰ ঘৰত ৰাতিটো থাকি পুৱাতেই মুন আৰু ধনে দেউতাকৰ কাষ চাপিল। কিন্তু দেউতাকৰ ওচৰ চাপি সিহঁতে গম পালে ইতিমধ্যে মাহীমাকে চলকৰি বহুত দামত মাটিখিনি বিক্ৰী কৰিলে। তাৰ সলনি অইন ঠাইত অলপ মাটি কিনিলে আৰু বাহি হোৱা টকাৰে পুতেকক এখন গাড়ী কিনি দিছে ভাড়া মাৰিবলৈ। ববী আৰু ধনৰ বৰ দুখ লাগিল। মাহীমাকৰ মেৰ পাক বুজিবলৈ সিহঁতৰ বেছি সময় নালাগিল। সিহঁতে বুজিলে মাকৰ মাটিখিনিক আশা কৰোতে সিহঁতৰ বহু দেৰী হ'ল। এতিয়া নতুন চিন্তা কৰিব লাগে।

ৰামেশ্বৰ এতিয়া শৰ্য্যাগত। তেওঁৰ অন্তিম সময়। মহন্তই ভাবিলে ৰুবী-ববী ধনহঁত পিতৃ হাৰা হ'বলৈ আৰু বেছি দিন নাই। কিমান কৰুণ সিহঁতৰ জীৱন। গৰম লোটক এটোপা ওলাই আহি তেওঁৰ হাতত পৰিল। মহন্তই লাহেকৈ চচমাযোৰ খুলি চকুপানী খিনি মচি ল'লে। □□□

# শ্মশান চ'মুখা

বসন্ত কুমাৰ দত্ত
প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ

বহুদিন হ'ল সেই বাটে
যোৱা হোৱা নাই
দেখা নাই মৰা-শ টনা আজোৰা
শিয়াল-শগুণ কুকুৰৰ
শুনা নাই নিউ নিউ নিমন্ত্ৰণ
নিশাচৰ যমডাকিনীৰ
এৰা, বহুদিন হ'ল সেই বাটে
যোৱা হোৱা নাই
এতিয়াও আছে কিজানি শিমলু চতিয়না
বন-লতা জোপোহাৰে
জয়াল একেই এখনি ঠাই
অৱশ্যই আছে এক পোছাকী নাম
নাম তাৰ চ'মুখা
বদ্ধমূল বিভীষিকা পুৰাতন
বিস্তীৰ্ণ এলেকাৰ
আছে বহু লোকশ্ৰুত বদনামী
বাগৰি ফুৰা বিকট কাহিনী
গভীৰ নিজম ৰাতিৰ এন্ধাৰ কিম্বা
দিনৰ প্ৰখৰ পোহৰতো বুকু কঁপে
সৰু-বৰ পদব্ৰজী পথিকৰ
বেবুৰা লাগি বন্ধ হয়



কোলাহল আচম্বিতে
পৰম নাস্তিকেও চকু মুদি
মনে-মনে নাম লয়
ত্ৰাণকৰ্ত্তা ঈশ্বৰৰ
কেতিয়াবা কাষেৰে পাৰ হ'লে
ছৈ দিয়া গৰু গাড়ী
আতংকত কুচি-মুচি
আৰোহীৰে গাড়োৱান
কেৱল নিৰ্বিকাৰ ভাৱে বাজি থাকে
গাড়ীৰ গৰুৰ গলৰ টিলিঙা
ক্ৰমশঃ বাজি থাকে অচিন পখীৰ কণ্ঠত
ক্লান্তিৰ কৰুণ কূজন
পিছে বিভ্ৰান্তিৰ কথা হ'ল
কোনোদিন কোনোৱে ভুলতো ভবা নাই
সিযে অন্তিমৰ অন্তিম আশ্ৰয়
সনাতন শীতল শেতেলি
ভবা নাই সিয়েই যে পাৰাপাৰৰ
পুণ্যৱান সমদৰ্শী প্ৰতিনিধি
সাম্যবাদী শ্মশান চ'মুখা।

টোকা ঃ চ'মুখা পশ্চিম নলবাৰী অঞ্চলৰ এখন শ্মশানৰ নাম।

# কবিতা


ভাৰত চৌধুৰী
পৰীক্ষাগাৰ সহায়ক



যেনিয়ে চাও তেনিয়ে দেখো
মলিন ছৱি
অভাগিনী মোৰ আইৰ।
দুঃসহ বৰ্ত্তমানত
জন্ম হ'ল আমাৰ
য'ত দেখিলো মানৱতাৰ
স্খলন আৰু
য'ত নাই প্ৰাপ্য বিচাৰাৰ অধিকাৰ
চৌদিশে মাথো হাঁহাকাৰ
প্ৰগতিৰ মুখা পিন্ধা ভণ্ডৰ
নিপীড়ন
আৰু নো কিমান দিন!
ভয় নাই আই
আহিছে সিহঁতৰ
মুখাবোৰ খোলাৰ সময়। ▶ ▶ ▶

# কিয়

অনিতা ৰাভা
স্নাতক ১ম বৰ্ষ



বাৰে বাৰে ভাগি যায়
যতনেৰে সজা জীৱনৰ
সাঁকো
এন্ধাৰ গচকি উঠা সূৰ্য
লুকায় এন্ধাৰত
নিৰ্মমতাৰ বুকুত হেৰায়
নিষ্ঠা আৰু সততাৰ
আলফুলীয়া জোন
ঢৌ- ধুমুহাত থৰক-বৰক
নিসংগ টুলুঙা নাও। ▶ ▶ ▶

# ভয়

হৰি কমল দাস
উঃ মাঃ ২য় বৰ্ষ

বৰ ভয় লাগে
যেতিয়া ভাৱো মই হেৰাই আছো
তোমাৰ বুকুত
পমি আছো তোমাৰ তেজত
মোৰ খুব ভয় লাগে
তোমাৰ অন্যমনস্কতাত যদি
ঘূৰাই নাপাওঁ মোক
তোমাৰ বুকুৰ পৰা
তোমাৰ তেজৰ পৰা
ভয় লাগে
যদি নিঃশেষ হৈ যাওঁ
তোমাৰ ওঠত। ▶ ▶ ▶